# ৰেলৱে ৰিক্ৰুইটমেন্ট বোৰ্ড, গুৱাহাটী

স্টেশন ৰোড, গুৱাহাটী-৭৮১০০১

ৱেবছাইট: www.rrbguwahati.gov.in

सत्यमेव जयते

## “কেৱল যোগ্যতা আৰু কঠোৰ পৰিশ্ৰমেই সফলতাৰ মাপকাঠি”

## চাকৰিৰ প্ৰলোভন দিয়া প্ৰবঞ্চকৰ পৰা সাৱধান।



## মনত ৰাখিব

**টকা আৰু ভুৱা প্ৰতিশ্ৰুতিৰে কোনেও ৰেলৱেত চাকৰি দিব নোৱাৰে।**
**কেৱল যোগ্যতা আৰু নিযুক্তি পৰীক্ষাত ভাল প্ৰদৰ্শনেৰেহে চাকৰি পোৱাটো সম্ভৱ।**

- ৰেলৱে ৰিক্ৰুইটমেন্ট বোৰ্ডৰ সমগ্ৰ নিযুক্তি প্ৰক্ৰিয়া সম্পূৰ্ণ কম্পিউটাৰাইজড। প্ৰাৰ্থীয়ে নিযুক্তিৰ পৰীক্ষাত লাভ কৰা মুঠ নম্বৰৰ ওপৰতহে নিযুক্তিৰ সম্ভাৱনা নিৰ্ভৰশীল। বাছনি প্ৰক্ৰিয়াত কোনোধৰণৰ মৌখিক সাক্ষাৎকাৰৰ ব্যৱস্থা নাথাকে।
- ৰেলৱে ৰিক্ৰুইটমেন্ট বোৰ্ডে, বোৰ্ডৰ হকে কাম কৰাৰ বাবে কেতিয়াও কোনো প্ৰতিনিধি নাইবা কোচিং চেন্টাৰৰ ব্যৱস্হা নকৰে। কেৱল ৰিক্ৰুইটমেন্ট বোৰ্ডৰ নিজা ৱেবছাইট আৰু ৰিক্ৰুইটমেন্ট বোৰ্ডৰ দ্বাৰা বাতৰি কাকতত প্ৰকাশিত নিয়োগ জাননীকহে বিশ্বাসত ল'ব লাগে। ৰেলৱে ৰিক্ৰুইটমেন্ট বোৰ্ড, গুৱাহাটীৰ কেৱল এটাই মাথো ৱেবছাইট: **www.rrbguwahati.gov.in** আছে।
- টকা আৰু ভুৱা প্ৰলোভনেৰে ৰেলৱেত চাকৰিৰ প্ৰতিশ্ৰুতি দিয়া প্ৰবঞ্চকৰ পৰা সাৱধান।
- এনেধৰণৰ প্ৰবঞ্চকৰ জালত ভৰি দিয়া কোনো প্ৰাৰ্থী চিনাক্ত হ'লে তেনে প্ৰাৰ্থীৰ প্ৰাৰ্থিত্ব বাতিল কৰা হব আৰু তেওঁৰ বিৰুদ্ধে আইনগত ব্যৱস্থা লোৱা হব। মনত ৰাখিব যে ঘোচ লোৱা আৰু ঘোচ দিয়া দুয়োটা সমানেই মাৰাত্মক অপৰাধ।

## চাকৰিৰ প্ৰলোভন দিয়া প্ৰবঞ্চক চিনাক্ত কৰাত ৰেলৱেক সহায় কৰক

- ✓ ওচৰৰ আৰক্ষী থানাত অভিযোগ দাখিল কৰক।
- ✓ সন্দেহ থাকিলে বা কৰণীয় জানিবলৈ হ'লে ০৩৬১-২৫৪০৮১৫ নম্বৰত যোগাযোগ কৰক।
- ✓ অভিযোগ দিয়াৰ বাবে ৰেলৱে ৰিক্ৰুইটমেন্ট বোৰ্ড, গুৱাহাটীৰ ইমেইল crrb-as@nic.in আৰু/অথবা ফোন নম্বৰ ০৩৬১-২৫৪০৮১৫-ত যোগাযোগ কৰক। আপোনাৰ পৰিচয় সম্পূৰ্ণ গোপনে ৰখা হব।

**আমাৰ বাছনি প্ৰক্ৰিয়া সম্পূৰ্ণ স্বচ্ছ। আত্মসন্মান আৰু উচ্চশিৰে ৰেলৱেত ভৰ্তি হওক।**

**গুৱাহাটী, ২৩ আগষ্ট, ২০১৮** **অধ্যক্ষ, ৰেলৱে ৰিক্ৰুইটমেন্ট বোৰ্ড, গুৱাহাটী**